**2020**

# ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) 'ভানুমতী' উপন্যাসখনৰ লিখক কোন ?

(খ) কোনখন আলোচনীত প্ৰথম অসমীয়া চুটিগল্প প্ৰকাশ হৈছিল ?

(গ) হিন্দী সাহিত্যৰ প্ৰথমখন উপন্যাসৰ নাম লিখা।

(ঘ) বাংলাভাষাৰ চুটিগল্পৰ প্ৰতিষ্ঠাতা বুলি কাক গণ্য কৰা হয় ?

(ঙ) মানিক বন্দ্যোপাধ্যায় ৰচিত প্ৰথমখন উপন্যাসৰ নাম লিখা।

(চ) চাকৰিত যোগদান কৰিয়েই পোষ্টমাষ্টৰ কোনখন গাঁৱলৈ যাবলগীয়া হৈছিল ?

(ছ) মেৰীগঞ্জৰ পুৰণি নাম কি আছিল ?

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) কুবেৰৰ পত্নীৰ নাম কি আৰু ল'ৰা-ছোৱালী কেইটা ?

(খ) মাধৱৰ পত্নীৰ মৃত্যুৰ পিছত গাঁৱৰ জমিদাৰে ঘীসু আৰু মাধৱক কেইটকা দিছিল ? এঘণ্টাৰ ভিতৰত ঘীসুৰ হাতত কেইটকা জমা হ'ল ?

(গ) মেৰীগঞ্জ গাঁৱৰ মঠৰ দুজন পূজাৰীৰ নাম লিখা।

(ঘ) গুৱাৰ (গোৱাল) চুবুৰীৰ যাদৱসকলৰ মুখিয়াল ব্যক্তিজনৰ নাম কি ? তেওঁক হেয় দেখুৱাবলৈ ৰামকৃপাল সিংহই কাৰ লগত শঠা-মিতিৰালি পাতিছিল ?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) আঞ্চলিক উপন্যাসৰ পাঁচটা বিশেষত্ব লিখা।

(খ) পোষ্টমাষ্টৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(গ) মেৰীগঞ্জৰ প্ৰাকৃতিক পৰিৱেশৰ বিৱৰণ দিয়া।

(ঘ) মাৰ্টিন চাহাবৰ বিষয়ে লিখা।

(ঙ) 'কফন' গল্পৰ আধাৰত প্ৰেমচন্দৰ গল্পৰ বিশেষত্ববোৰ লিখা।

৪। (ক) হিন্দী সাহিত্যৰ ছায়াবাদী ধাৰাৰ বৈশিষ্ট্যবোৰ আলোচনা কৰা। ১০

*অথবা*

(খ) 'পদ্মা নদীৰ মাঝি' উপন্যাসৰ চৰিত্ৰ-চিত্ৰণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) এলাহ আৰু নিচাগ্ৰস্ততাই মানবীয়তাক গ্ৰাস কৰাৰ ছবি 'কফন'ত কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'কফন'ত দৰিদ্ৰতাৰ কালৰূপ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

৬। (ক) 'ময়লা আঁচল' উপন্যাসত গ্ৰাম্য ভাৰতৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'ময়লা আঁচল' উপন্যাসত উল্লেখ থকা জাতিভেদ, ধৰ্মীয় ব্যভিচাৰ আৰু অন্ধবিশ্বাস-কুসংস্কাৰৰ বিৱৰণ দিয়া।

★★★